**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

Date : 16-01-2026 **Time :** 1100 Hrs.

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। বিয়লি প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি বাগৰুম্বা নৃত্যৰ চূড়ান্ত অনুশীলন কৰা হ'ব। অসমৰ চহকী ঐতিহ্য বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে পৰহিলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

০০০০০০০

কামৰূপ জিলাৰ পলাশবাৰী আৰু কমলপুৰ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকলৰ মাজত আজি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'ব। পলাশবাৰী আৰ বি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত দিনৰ চাৰে ১১ বজাত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰী সমষ্টিৰ ৩৬ হাজাৰ ৫১ গৰাকী মহিলাক উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব। তেওঁ লগতে বিহদিয়া জাজিকোণা আঞ্চলিক ৰাস উদযাপন থলীত আয়োজিত অনুষ্ঠানত কমলপুৰ সমষ্টিৰ ৩২ হাজাৰ ৮০৪ গৰাকী মহিলাক প্ৰাৰম্ভিক মূলধনৰ চেক প্ৰদান কৰিব।

০০০০০০০

অহা ১৮ ৰ পৰা ২৮ জানুৱাৰীলৈ মাজুলীৰ আউনীআটি সত্ৰৰ মণিকাঞ্চন ক্ষেত্ৰত অসম ভাওনা সমাৰোহ অনুষ্ঠিত হ'ব। দহদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া এই ভাওনা সমাৰোহৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। এই ভাওনা সমাৰোহত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ২০ খন নিৰ্বাচিত প্ৰতিযোগিতামূলক আৰু তিনিখন প্ৰদৰ্শনীমূলক ভাওনা প্ৰদৰ্শন কৰা হ'ব। ২০০৬ চনৰ পৰা অনুষ্ঠিত হোৱা এই দ্বিবাৰ্ষিক ভাওনা সমাৰোহত এইবাৰ প্ৰথমদিনা ৫০০ সূত্ৰধাৰৰ নৃত্য প্ৰদৰ্শন কৰা হ'ব। সমাৰোহত দিনৰ ভাগত শিশু-মহিলাসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০

গোৱালপাৰা জিলাৰ আগিয়া পথাৰৰ ভালুকডুবিত যোৱানিশা পথ দুৰ্ঘটনাত দুজন লোক নিহত হোৱাৰ লগতে এজন লোক গুৰুতৰভাৱে আহত হয়। ই-ৰিক্সা আৰু এখন চাৰিচকীয়া বাহনৰ মুখামুখি সংঘৰ্ষৰ ফলতে এই পথ দুৰ্ঘটনাটো সংঘটিত হয়। নিহত লোক দুজন ভালুকডুবিৰ ৰফিলা মাৰাক আৰু আগিয়াৰ টকোৰাপাৰাৰ ধনমণি নাথ বুলি জানিব পৰা গৈছে। আহত এণ্ডিচন চাংমাক সংকটজনক অৱস্থাত চিকিৎসাৰ বাবে গোৱালপাৰাৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০০

ভোগালী বিহুৰ আনন্দৰ মাজতে ডিব্ৰুগড় জিলাৰ লাহোৱালৰ মদাৰখাট মৌজাৰ দুই নম্বৰ চিৰিংহোল গাঁৰত যোৱানিশা অগিকাণ্ড সংঘটিত হয়। গাঁওখনৰ শেখৰ কৈৰী নামৰ লোকজনৰ বাসগৃহ অগ্নিকাণ্ডত সম্পূৰ্ণৰূপে জাহ যায়। বৰ্তমানলৈকে অগ্নিকাণ্ড সংঘটিত হোৱাৰ কাৰণ জানিব পৰা হোৱা নাই বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিন অৰ্থাৎ শিল্পী দিৱস উপলক্ষে কাইলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ পৰা বাতৰি বিভাগৰ বাতৰি পঢ়োতা, বাতৰি সম্পাদক, ডিটিপি কৰ্মচাৰী আৰু সহায়কসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা আৰু নাটকৰ সংলাপ পৰিৱেশন কৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফেচবুক পেজ আৰু ইউটিউব চেনেলযোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ফে'চবুক আৰু ইউটিউবত অনুষ্ঠানটো বিৰতিবিহীনভাৱে প্ৰচাৰিত হ'ব। অনুষ্ঠানটোৰ নিৰ্বাচিত অংশ ১৮ জানুৱাৰী দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত মহাবাহু চেনেলযোগে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

অসম ফুটবল সন্থাই ২০২৫-২৬ বৰ্ষৰ সন্তোষ ট্ৰফীৰ ৭৯ সংখ্যক ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপত ভাগ ল'বলগীয়া অসমৰ ছিনিয়ৰ পুৰুষ ফুটবল দলৰ ২২ গৰাকী খেলুৱৈৰ তালিকা প্ৰকাশ কৰিছে। প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ খেলসমূহ ঢকুৱাখনা আৰু চিলাপথাৰত ২১ জানুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। ৭ জানুৱাৰীৰ পৰা ধেমাজিত অনুষ্ঠিত প্ৰস্তুতি শিবিৰৰ প্ৰদৰ্শনৰ ভিত্তিত খেলুৱৈসকলক বাছনি কৰা বুলি সংস্থাই জানিবলৈ দিছে।

০০০০০০০

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত অনুষ্ঠান কাৰ্যবাহী তথা জনপ্ৰিয় ঘোষিকা ফৌজিয়া ৰহমানৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। ১৯৭০ চনৰ পৰা প্ৰায় দুই দশক জুৰি তেওঁ আকাশবাণী ডিব্ৰুগড়ৰ পশ্চিমীয়া সংগীত অনুষ্ঠানৰ ঘোষিকা হিচাপে কাম কৰিছিল। তেওঁৰ শুৱলা কণ্ঠই সকলো শ্ৰেণীৰ শ্ৰোতাকে মুগ্ধ কৰিছিল। ফৌজিয়া ৰহমানৰ মৃত্যুত শিল্পী, কলা-কুশলীৰ লগতে বিভিন্নজনে শোকপ্ৰকাশ কৰিছে।

০০০০০০০

নতুন দিল্লীত অনুষ্ঠিত ১৪ সংখ্যক ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ টাইকোৱাণ্ডো প্ৰতিযোগিতাত অসম দলৰ হৈ বৰ্ণম আশিস বৰগোহাঁয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাত ৪১ কিলোগ্ৰাম শাখাত এই পদক লাভ কৰে। লখিমপুৰৰ ঢকুৱাখনা টাইকোৱাণ্ডো একাডেমীৰ প্ৰশিক্ষাৰ্থী বৰ্ণম আশিস বৰগোহাঁই। খেলুৱৈগৰাকীৰ এই সফলতাত পিতৃ-মাতৃৰ লগতে উৎফুল্লিত অঞ্চলবাসী।

০০০০০০০

**সমাপ্ত**